Khiriki, Vol. 01(02), September 2025 , pp. 10-11

**Khiriki** – *An Assamese Quarterly E-Magazine*

# মই আৰু ৰামদাস চাচা

**প্ৰাঞ্জিত ডেকা**
মঙ্গলদৈ, দৰং, অসম, ৭৮৪১২৫

Received: 20 Aug 2025
Revised: 25 Aug 2025
Accepted: 28 Aug 2025
Published: 1 Sept 2025

Article ID: KH01009

মূষলধাৰ বৰষুণজাক। গাড়ীখনেও আহি গাঁৱখনৰ নিৰ্জন এই পথতোতে হঠাতেই বেয়া হ'বলৈ পালে।কি কৰিম নকৰিম ভাবি থাকোতেই এক ছায়ামূৰ্তি আহি মোৰ ৰেগনাৰ গাড়ীৰ খিৰিকীখনত দুই আঙুলিৰে টুকুৰিয়ালে।হঠাতেই সম্বিত ঘূৰাই পোৱাৰ দৰেই চকামকাকৈ দেখা সেই চেহেৰাটো গাড়ীৰ লাইটৰ পোহৰত চাবলৈ চেষ্টা কৰিলো।অলপ অপ্ৰস্তুত হৈ পৰিছিলো সেই সময়ত। নাই ধৰিবই নোৱাৰি।কোনে জানো মাতিছে এই ৰাতি মোক।তাকো এনে নিৰ্জন স্থানত।মূষলধাৰ বৰষুণত ক'ৰ পৰা কোন আহি ওলাল বাৰু এই ৰাতি।

অলপ সাহসীয়াল হ'লেও এনে পৰিৱেশ মোৰ বাবে সদায় আচহুৱা।কিন্তু বিধিৰ কি বিপাক!দৰকাৰী কাম এটাত পুৱাই চহৰলৈ গৈ অহাৰ সময়ত আদবাটতেই পোৱা জেঠাই হতৰ ঘৰত সোমালো।তাতেই ভাত পানী খাই উঠোতেই নিশা ১১বাজি গ'ল। ইমান জোৰকৈ থাকিবলৈ জেঠাইহতে জোৰ কৰাৰ পাচতো নিজৰ গাড়ীখন ষ্টাৰ্ট কৰি গুচি আহিলো প্ৰায় সাত কিলোমিটাৰ মান দূৰৈত থকা ঘৰখনলৈ বুলি।অন্য দিন হ'লে জেঠাইহতৰ আবদাৰত থকা যায় যদিও আজি থাকিবৰ মুঠেও মন নগ'ল।ওচৰৰ চহৰখনতেই নিজৰ কাম কাজ সমাপন কৰি জেঠাই হতৰ ঘৰত থাকোতেই গাঁৱৰ ঘৰৰ পৰা মোলৈ ফোন এটাও আহিছিল অৱশ্যে।নেটৱৰ্ক ভালদৰে নথকাৰ বাবেই স্পষ্টকৈ মাতটো শুনিবলৈ পোৱা নাছিলো বাইদেউৰ।তথাপিও অনুমান এটা কৰিছিলো গাঁৱত কিবা এটা হৈছে বুলি।মনটো উদগ্ৰীৱ হৈ পৰিছিল সেয়েহে।আৰু সেয়ে লৰালৰিকৈ জেঠাইহতৰ ঘৰৰ পৰা বিদায় মাগি ওলাই আহিছিলোঁ।.....

অৱশ্যে জেঠাইহতৰ ঘৰৰ পৰা ওলাই আহোতে বতৰটো গোমা কৰি আছিল যদিও ইমান সহজেই যে এনেকৈ মূষলধাৰ বৰষুণ জাক আহিব কল্পনাই কৰা নাছিলো।বতৰৰ আগজাননী তথা বৰষুণ জোৰকৈ অহাৰ বাবেই গাঁৱৰ সেই দীঘলীয়া পোন বাট লোৱাৰ সলনি অন্য এক একাবেকা চমু বাটেৰেই ঘৰলৈ অহাৰ কথা ভাবিলো আজি।কিন্তু সেই চমু বাটটোতে যে এখন শ্মশান আছিল সেই কথা সেইদিনা মনটোত এবাৰলৈ খেলোৱাই নাছিল।শ্মশানৰ সন্মুখৰ সেই জয়াল পৰিৱেশ পাৰ হৈ আহি অলপ আঁতৰতে আমাৰ সোণবৰষা গাঁৱখন।......

মনৰ মাজত আহি থকা এনে ভাবৰ বুৰবুৰণিৰ মাজতেই আকাশ পোহৰাই তোলা ঢেৰেকণিৰ শব্দত সেই মুখখন দেখিলো গাড়ীৰ ভিতৰৰ পৰাই।আৰে এয়া দেখোন আমাৰ ৰামদাস চাচা।গাঁৱৰেই মেকানিক চাচা।পুৰণি গাড়ী মেৰামতি কৰাত এটা সময়ত যথেষ্ট নাম আছিল এই চাচাৰ।সেই চাচাৰে মই আকৌ মৰমৰ ভতিজা।তেজ মঙহৰ সম্পৰ্ক নাই কিন্তু সকলোৰে আপোন এই ৰামদাস চাচা।বিশেষকৈ মোৰ সৈতে তেওঁৰ আত্মীয়তা অনেক।এবাৰ নে দুবাৰ তেওঁক মই ডাঙৰ বিপদৰ পৰা উদ্ধাৰ কৰিছিলো।সেই তেতিয়াৰ পৰাই আমাৰ মাজত এক সম্পৰ্ক গঢ়ি উঠিছিল।সেই ৰামদাস চাচাকেই এই জয়াল পৰিৱেশত তাকো মূষলধাৰে দিয়া বৰষুণ জাকত দেখিবলৈ পাই হাততেই সৰগ ঢুকি পোৱাৰ দৰেই লাগিছিল সেই নিশা।পলম নকৰি গাড়ীলৈ মাতি ৰামদাস চাচাক আনটো চিটত বহিবলৈ দি নিজৰ গাড়ীখন যে ষ্টাৰ্ট হোৱা নাই সেই কথা ক'লো।চাচাই এটা শব্দও নমতাকৈ হঠাতেই মই তলকিব নোৱাৰাকৈয়ে গাড়ীৰ সন্মুখভাগলৈ গৈ বনেটখন খুলি ইঞ্জিনৰ কাষলৈ গ'ল আৰু কিবা এটা চুই দিয়াৰ লগে লগেই ষ্টাৰ্ট হ'বলৈ ধৰিলে গাড়ীখন।হঠাতেই এইদৰে গাড়ীয়ে ষ্টাৰ্ট কৰাৰ আনন্দত আত্মহাৰা হোৱাৰ লগতে ৰামদাস চাচাক আহি গাড়ীত বহিবলৈ দিলো।আৰু ক'লো বলক একেটাই পথৰ পথিক যিহেতু আমি একেলগেই যাও আজি।চাচাই মাথো মূৰতো দুপিয়ালে।সেই সময়লৈ মনত এবাৰলৈ ভাব অহাই নাছিল নিশা এনে ধাৰাসাৰ বৰষুণত ৰামদাস চাচাৰ নিৰ্জন স্থানত কি কাম!আৰু কলহৰ কাণে ঢলা এই বৰষুণত ৰামদাস চাচাৰ দেহটো অলপো তিতা নাই সেই সময়লৈ।

অ' আই কি আচৰিত......।।।এনেধৰণৰ অস্বাভাৱিক একো কথাই মনলৈ অহা নাছিল সেই সময়ত মোৰ।

মূষলধাৰ বৰষুণত বাট পথ একো এটা ধৰিবই নোৱাৰি যদিও কিবাকৈ লাহে লাহে গাড়ীখন আগাবাঢ়ি গৈ আছিল গন্তব্যস্থানলৈ।সেই নিশা চাচাৰ কথা বতৰাত অস্বাভাৱিক এক আচৰণ দেখিবলৈ পাইছিলোঁ।পেটে পেটে ভয়ো লাগিছিল যদিও সাহস অকণ কৰিছিলো।
....... আহি আছো ধীৰ গতিৰে।এই পাবলৈ হৈছে আৰু শ্মশানখন খন।দূৰৈৰ পৰাই চিতা এখন জ্বলি থকাৰ দৰেই লাগিছিল।খেয়াল মনলৈ এবাৰো অহা নাছিল।কাৰ হ'ব পাৰে এই চিতাৰ জুই।
সেই তেতিয়াই গাড়ীৰ লাইট নুমুৱাই গৈছিল হঠাতেই।।।
মই চাচাক আন্ধাৰে পোহৰে দেখি শিয়ৰি গৈছিলো।চাচাই চলচলীয়া চকুৰে মোৰ ফালে চাই আছিল যদিও মই মাতিব পৰা নাছিলো।

দুয়ো মৌন হৈ পৰিছিলো কিছু সময়লৈ।.....
কাৰণ.....
গন্তব্যস্থান দুয়োৰে একেই আছিল সেইদিনাখন।
সেই শ্মশান আছিল দুয়োৰে গন্তব্যস্থান তথা চিৰদিনৰ আশ্ৰয়স্থলী।
কাৰণটো হৈছে।.....

মূষলধাৰ বৰষুণজাকত জেঠাইৰ ঘৰৰ পৰা উভতি আহি থাকোতেই গাঁৱৰ সেই নিৰ্জন ঠাইডোখৰত থকা এডাল প্ৰকাণ্ড আহত গছত খুন্দিয়াই অলপ আগতেই মই অৰ্থাৎ আয়ুষ্মান বৰুৱাই প্ৰাণত্যাগ কৰিছিলো।আৰু আজিৰ সেই একেটা দিনতেই দুপৰীয়াৰ ভাগত ৰামদাস চাচাক গাঁৱৰ চাৰিআলিত থকা নিজৰ দোকানখনৰ কাষতেই এখন ট্ৰাকে মহতিয়াই নিয়াৰ ফলতেই থিতাতে মৃত্যু হৈছিল তেওঁৰ।সেই খবৰ জনাবলৈ বাইদেউৱে মোক ফোন কৰিছিল।বিধিৰ বিপাক সেই খবৰ আজি মই জীৱন্ত অৱস্থাত নাপালো।মই আহি গছজোপাত খুন্দিয়াই দিয়াৰ ফলত মৃত্যু হৈছিল ঠিকেই কিন্তু মোৰ অশৰীৰ দেহটোৱে আমাৰ মৰমৰ গাড়ীখন চলাই লৈ গৈছিল।ৰামদাস চাচা যি মোৰ বন্ধুৰ দৰেই আছিল হয়তো তেওঁৰ অশৰীৰ আত্মাই এই অস্বাভাৱিকতাৰ উমান পাই আহি আছিল সেই একেটা পথৰেই।আহি দুয়ো লগ লাগিছিলোহি সেই নিৰ্জন ঠাই ডোখৰত।হয়তো ইজনে সিজনক নিজৰ মৃত্যুৰ খবৰতো দিবলৈ ইতঃস্বত্ববোধ কৰিছিলো।কিন্তু যেতিয়াই আহি আমি শ্মশানৰ কাষ পাইছিলোহি অশৰীৰটোত এক তীব্ৰ জোকাৰণি অনুভৱ কৰিছিলো।দুয়ো খোজ লৈছিলো শশ্মানৰ কাষতেই থকা তেতেলী গছ ডালৰ তললৈ।আজি ইজনে সিজনক চাব পৰা নাই।হঠাতেই এটা দিনতেই গাঁৱৰ একেলগে দুটাকৈ প্ৰাণীয়েই চিৰ জীৱনলৈ নাইকিয়া হৈ গৈছিল।আছিল কিছু স্মৃতি।ধুসৰ।চকামকা।...........

তাৰ পাছত..........
হঠাতেই খপজপকৈ সাৰ পাই বিচনাৰ পৰা একেজাপে উঠি আয়ুষ্মানে নিজৰ দেহতেই এবাৰ চিকুটি চালে।অহ তাৰমানে সেয়া সপোন হে দেখি আছিল সি।এই এন্ধাৰত সি মৌন হৈ নিজৰ গাৰুৰ কাষত থকা মোবাইলতো খেপিয়াই আনিবলৈ চেষ্টা কৰিলে।মোবাইলতো হাতত লৈ সময় চালে, নিশা ঠিক ২.১৪ বাজিছে।

হঠাতেই কি জানো মনত খেলালে সেইৰাতি ৰামদাস চাচালৈ ফোন এটা কৰিলে আয়ুষ্মানে।ফোনৰ সিটো মূৰে টোপনি ভগাৰ মাত ৰামদাস চাচাৰ।অলপ বিৰক্তিকৰ ভাব এটাও আহিছে যদিও এই ৰাতিখন আয়ুষ্মানে তেওঁৰ খবৰ লোৱাত আশ্চৰ্যচকিত হ'ল।কৌতুহলী মনটোক দমাব নোৱাৰি ৰামদাস চাচাই তাক সকলো ঠিকেই আছেনে বুলি সুধি পেলালে। আয়ুস্মানে অলপ আগতে দেখা সপোনতোৰ কথা কম বুলি ভাবিছিল যদিও একো নকলে সেই বিষয়ে।
আকৌ ফোনতেই শুভৰাত্ৰি এটা ৰামদাস চাচাক জনাই আয়ুষ্মান বিচনালৈ আহিল।বিচনাতেই বাগৰি সি ভাবিলে এইমাত্ৰ দেখা সপোনটোৰ কথা।

কিয় হঠাতেই জানো আজি এই অস্বাভাৱিক সপোন এটা দেখিলে।গা জিকাৰ খাই গ'ল আয়ুষ্মানৰ।সেপ ঢুকিলে।আকৌ বিচনাৰ পৰা উঠি আহি পানী এগিলাচ খাই কাইলৈ আয়ুষ্মানে কাষৰেই চহৰখনত গৈ কৰিবলগীয়া কাম কেইটাৰ কথা ভাবি থাকোতেই কোন মুহূৰ্তত টোপনিয়ে আহি তাক হেচি ধৰিলে সি গমেই নাপালে।.

***